**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2026
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

::::::::::::::::::::::::::::::::::::::::

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

২। ৰাজ্যসভাৰ সাংসদ সুনেত্ৰা পাৱাৰে আজি মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুৰু ৰবি দাসৰ জয়ন্তীৰ প্ৰাকক্ষণত জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ সন্ত গুৰু ৰবিদাসৰ ৬৪৯ সমখ্যক জন্ম বাৰ্ষিকী উপলক্ষে পঞ্জাৱলৈ যাব।

৪। সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা আৰু আপোচবিহীন সাৰ্বজনীন নীতি হোৱা উচিত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ্ জয়শংকৰে প্ৰকাশ কৰে।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমত আৰম্ভ হৈছে।

oooo

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ লোকসভাত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। বাজেট উত্থাপন কৰাৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাত দাখিল কৰা হ'ব। শ্ৰীমতী সীতাৰমনে এইবাৰকে ধৰি একেৰাহে নৱম বাৰৰ বাবে বাজেট দাখিল কৰিব। সংসদত বাজেট ভাষণ সম্পূৰ্ণ হোৱাৰ পাছত বাজেট নথি মোবাইল এপ্ আৰু ৱেবছাইটত উপলভ্য হ'ব।

বাজেট দাখিলৰ পাছত শ্ৰীমতী সীতাৰমণে দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৩০ গৰাকী শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰিব।

উল্লেখযোগ্য যে বাজেট প্ৰস্তুতৰ পূৰ্বে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনীতিবিদ, শ্ৰমিক সংঘ, শিক্ষা আৰু স্বাস্থ্য, বাণিজ্য আৰু সেৱা, উদ্যোগ, বিত্ত মূলধনী বজাৰ, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বিশেষজ্ঞ আৰু প্ৰতিনিধিকে ধৰি বিভিন্ন অংশীদাৰসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হৈছিল আৰু তেওঁলোকৰ মতামত গ্ৰহণ কৰিছিল। এইবাৰৰ কেন্দ্ৰীয় বাজেটত এই পৰামৰ্শৰ প্ৰতিফলন দেখিবলৈ পোৱা যাব।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দ্বিতীয় ভাৰত-আৰৱ বৈদেশিক মন্ত্ৰীৰ বৈঠকৰ বাবে নতুন দিল্লীত উপস্থিত থকা আৰৱৰ বৈদেশিক মন্ত্ৰী আৰৱ ৰাষ্ট্ৰ লীগৰ মহাসচিব আৰু প্ৰতিনিধি দলৰ মুৰববীক আদৰণি জনায়। বৈঠকত প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু আৰৱৰ মাজত থকা গভীৰ আৰু ঐতিহাসিক সম্পৰ্কৰ ওপৰত আলোকপাত কৰে। মোদীয়ে আহিবলগীয়া বছৰবোৰত ভাৰত-আৰৱ অংশীদাৰিত্বৰ বাবে তেওঁৰ দৃষ্টিভংগীৰ

ৰূপৰেখা দাঙি ধৰে। তেওঁ দেশসমূহৰ জনসাধাৰণৰ পাৰস্পৰিক লাভৰ বাবে বাণিজ্য, বিনিয়োগ, শক্তি, প্ৰযুক্তি, স্বাস্থ্য সেৱা আৰু অন্যান্য অগ্ৰাধিকাৰ ক্ষেত্ৰসমূহত সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতি দৃঢ়ভাৱে ব্যক্ত কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে পেলেষ্টাইনৰ জনসাধাৰণৰ প্ৰতি ভাৰতৰ সমৰ্থন পুনৰবাৰ উল্লেখ কৰি গাজাত চলি থকা শান্তি প্ৰচেষ্টাক আদৰণি জনায়। শান্তি আৰু স্থিতিশীলতাৰ দিশত আৰব লীগে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰশংসা কৰে।

০০০০

ৰাজ্যসভাৰ সাংসদ সুনেত্ৰা পাৱাৰে আজি মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৬২ বছৰীয়া সুনেত্ৰা পাৱাৰ মহাৰাষ্ট্ৰৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰী। চলিত সপ্তাহৰ আৰম্ভণিতে সংঘটিত এটা বিমান দুৰ্ঘটনাত তেওঁৰ স্বামী তথা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ দেহাৱসান হৈছিল। ইয়াৰ পূৰ্বে সুনেত্ৰা পাৱাৰক  সৰ্বসন্মতিক্ৰমে এন চি পি বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সুনেত্ৰা পাৱাৰক মহাৰাষ্ট্ৰৰ প্ৰথম মহিলা উপ-মুখ্যমন্ত্ৰী হোৱাৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমত শ্ৰী মোদীয়ে আত্মবিশ্বাস প্ৰকাশ কৰি কয়, যে শ্ৰীমতী পাৱাৰে ৰাজ্যবাসীৰ কল্যাণৰ বাবে অক্লান্তভাৱে কাম কৰিব আৰু অজিত পাৱাৰৰ দৃষ্টিভংগী পূৰ্ণ কৰিব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুৰু ৰবি দাসৰ জয়ন্তীৰ প্ৰাকক্ষণত  জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাযোগে ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গুৰু ৰবি দাস এগৰাকী পুজ্য সাধু আৰু সমাজ সংস্কাৰক আছিল। তেওঁ কয়, যে গুৰু ৰবি দাসে  শিক্ষাৰ  জৰিয়তে সমতা, সামাজিক ন্যায় আৰু প্ৰেমৰ বাৰ্তা প্ৰেৰণ কৰিছিল। শ্ৰীমতী মুৰ্মুৱে কয়, যে গুৰু ৰবি দাসৰ চিন্তাধাৰা সদায় প্ৰাসংগিক হৈ থাকিব আৰু মানৱীয় মূল্যবোধৰ ক্ষেত্ৰত পথ প্ৰদৰ্শন কৰি যাব। ৰবি দাসৰ শিক্ষা গ্ৰহণ কৰি ৰাষ্ট্ৰ গঠনত সক্ৰিয়ভাৱে অৰিহণা যোগাবলৈ তেওঁ সকলোলৈ আহ্বান জনায়।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ সন্ত গুৰু ৰবিদাসৰ  ৬৪৯ সমখ্যক জন্ম বাৰ্ষিকী উপলক্ষে পঞ্জাৱলৈ যাব। ভ্ৰমণকালত শ্ৰীমোদীয়ে আদমপুৰ বিমানবন্দৰত শ্ৰীগুৰু ৰবিদাস জী বিমানবন্দৰ হিচাপে নামকৰণ কৰিব। প্ৰধানমন্ত্ৰী কাৰ্যলয়ে প্ৰকাশ কৰা মতে বছৰ বছৰ ধৰি নিজৰ শিকনিৰ জৰিয়তে দেশবাসীক অনুপ্ৰাণিত কৰি অহা মহান সাধু আৰু সমাজ সংস্কাৰকগৰাকীলৈ সন্মান জনোৱাৰ উদ্দেশ্যে আদমপুৰ বিমানবন্দৰটো তেওঁৰ নামেৰে নামকৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে লুধিয়ানাত হালৱাৰা বিমানবন্দৰৰ টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। শ্ৰীমোদীয়ে লগতে জলন্ধৰ জিলাৰ ডেৰা ছচ্‌খণ্ড বালন পৰিদৰ্শন কৰিব আৰু গুৰু ৰবিদাসৰ সন্মানাৰ্থে আয়োজিত এটা ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি হাৰিয়ানাৰ সুৰজকুণ্ডত ৩৯ সংখ্যক সুৰজকুণ্ড আন্তঃৰাষ্ট্ৰীয় আত্মনিৰ্ভৰ শিল্প মহোৎসৱৰ শুভাৰম্ভ কৰে। স্থানীয়ৰ পৰা বিশ্ব প্ৰেক্ষাপটলৈ - আত্মনিৰ্ভৰ ভাৰত বিষয়বস্তুৰে আয়োজিত এই মেলাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাট আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং ছেইনী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। মেলাত উত্তৰ প্ৰদেশ আৰু মেঘালয়ৰ চহকী সংস্কৃতি আৰু লোককলা প্ৰদৰ্শন কৰা হৈছে। মেলাত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বয়ন আৰু

হস্তশিল্পীসকলে এহেজাৰ ২০০ৰো অধিক বিপণী স্থাপন কৰিছে। ১৫ ফেব্ৰুৱাৰীত এই মহোৎসৱৰ সামৰণি পৰিব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ্‌ জয়শংকৰে আজি চলিত ভাৰত-আৰব বিদেশ মন্ত্ৰীৰ দ্বিতীয় বাৰ্ষিক সন্মিলনত কয়, যে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতা আৰু আপোচবিহীন সাৰ্বজনীন নীতি হোৱা উচিত। তেওঁ কয়, যে সকলো ধৰণৰ সন্ত্ৰাসবাদৰ ৰূপ অথবা প্ৰকাশেই ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহৰ বাবে এটা উমৈহতীয়া ভাবুকি। সীমা অতিক্ৰম কৰি কৰা সন্ত্ৰাসবাদ কোনো ক্ষেত্ৰতে গ্ৰহণযোগ্য নহয়। কাৰণ ই আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু কূটনীতিৰ মূল নীতিৰ মৌলিক নিয়মসমূহ উলংঘা কৰে। মন্ত্ৰী জয়শংকৰে লগতে কয়, যে সন্ত্ৰাসবাদৰ লক্ষ্য হৈ পৰা সমাজসমূহে নিজকে ৰক্ষা কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। তেওঁ এই বিশ্বব্যাপী মহামাৰীৰ বিৰুদ্ধে যুঁজীবলৈ আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড০ জয়শংকৰে কয়, যে ভাৰতৰ আৰব ৰাষ্ট্ৰৰ লীগৰ সৈতে শক্তিশালী অংশীদাৰিত্ব আছে আৰু ইয়াৰ এক ইতিহাস আছে। তেওঁ কয়, যে যোৱা বছৰৰ পৰা পশ্চিম এছিয়াৰ ভূ-দৃশ্যৰ পট নাটকীয়ভাৱে সলনি হোৱাটো স্পষ্ট হৈ পৰিছে। তেওঁ লগতে কয়, যে ইয়াৰ প্ৰভাৱ ভাৰত আৰু আৰব ৰাষ্ট্ৰসমূহৰ সম্পৰ্কৰ বাবেও যথেষ্ট পৰিমানে প্ৰাসংগিক।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু তৃণমূল কংগ্ৰেছক সমাজ বিভাজন আৰু ৰাজ্য দুৰ্বল কৰাৰ অভিযোগ উত্থাপন কৰি তীব্ৰ আক্ৰমণ কৰে। পশ্চিমবংগৰ বাগডোগৰাত অনুষ্ঠিত বিজেপিৰ এখন সভাত ভাষন দি গৃহমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে যে, মমতা বেনাৰ্জী চৰকাৰে সম্প্ৰদায়সমূহক ইজনক সিজনৰ বিৰুদ্ধে উচতাই বংগৰ সামাজিক ঐক্যৰ ক্ষতি কৰিছে।

ইয়াৰ পূৰ্বে উত্তৰ ২৪ পৰগণাৰ বেৰেকপুৰত দলীয় কৰ্মীসভাত ভাষণ দি শ্ৰী শ্বাহে কয়, যে এছ আই আৰ প্ৰক্ৰিয়া ৰাজ্যখনত অব্যাহত থাকিব। তেওঁ অভিযোগ কৰে যে, ৰাজ্য চৰকাৰক অসহযোগিতাৰ বাবে ৰাজ্যখনৰ সীমান্ত অঞ্চলত কাটাতাঁৰৰ বেৰ স্থাপন কৰিব পৰা নগ'ল।

নাজিৰাবাদত ২৭ জন লোকক গুদামৰ ভিতৰত জ্বলাই হত্যা কৰা ঘটনাৰ তদন্তৰ দাবী জনাই শ্ৰী শ্বাহে কয়, যে এই ঘটনা শাসকীয় দলৰ দুৰ্নীতিৰ ফল। গৃহমন্ত্ৰীগৰাকীয়ে, এই মৃত্যুকলৈও মুখ্যমন্ত্ৰীগৰাকীয়ে ভোট বেংকৰ ৰাজনীতিত লিপ্ত হোৱাৰ অভিযোগ উত্থাপন কৰে।

০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে ইউৰোপৰ দেশলৈ ভাৰতৰ ৰপ্তানি ৫ বছৰত দুগুণ হ'ব। মন্ত্ৰীগৰাকীয়ে এম এছ্‌ এম ই, ষ্টাৰ্ট আপ আৰু উদ্যোগীসকলক আন্তঃৰাষ্ট্ৰীয় বজাৰত গুৰুত্ব দিবলৈ আহ্বানা জনায়। সামাজিক মাধ্যম যোগে মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এই বাণিজ্যিক চুক্তিয়ে দেশক বিভিন্ন ধৰণে লাভান্বিত কৰিব বুলি বাণিজ্য মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে কাইলৈ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰিব। এই বাহিনীয়ে পাঁচ দশক জুৰি ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠা সহকাৰে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আহিছে। ১৯৭৭ চনত গঠন হোৱা

এই বাহিনীৰ আজি ১৫৫ খন জাহাজ আৰু ৮০ খন বিমানেৰে গঠিত এটা শক্তিশালী সামুদ্ৰিক বাহিনীলৈ ৰূপান্তৰিত হৈছে।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল আজি কেৰালাৰ তিৰুৱনন্তপুৰমত খন্তেক সময়ৰ আগতে আৰম্ভ হৈছে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৩-১ ৰ ব্যৱধানত ইতিমধ্যে শৃংখলাত ভাৰতে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

০০০০

ভাৰতৰ দেৱিকা ছিহাগ বেংককত অনুষ্ঠিত থাইলেণ্ড মাষ্টাৰ্ছ ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত চীনা টাইপেইৰ হুৱাং য়ু চুনক ২২-২০, ২১-১৩ গেমত পৰাস্ত কৰে। আন এখন কোৱাৰ্টাৰ ফাইনেলত ঈষাৰণী বৰুৱা মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীৰ ৰং লিং ছিঙৰ বিৰুদ্ধে পৰাস্ত হয়।

পুৰুষৰ ছিংগলছত ভাৰতৰ থাৰুন মন্নেপল্লি চীনৰ ঝু জুৱান চেনৰ বিৰুদ্ধে পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ